بِسۡمِ اللّٰہِ الرَّحۡمٰنِ الرَّحِیۡمِ

# খোতবা জুমা

**যুদ্ধত শ্ৰেষ্ঠ সেনাৰ কৌশলৰ প্ৰেক্ষাপটত নবী (ছাঃ)ৰ জীৱনীৰ বৰ্ণনা তথা ইৰাণ আৰু ইজৰাইলৰ সংঘাতৰ প্ৰতি লক্ষ্য ৰাখি দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ**

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)য়ে ২০ জুন ২০২৫ চনত মছজিদ মোবাৰক ইছলামাবাদ টিলফোৰ্ড (বৃটেইনত) প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰাংশ।**

أَشْهَدُ أَنْ لَا إِلٰهَ إِلَّا اللّٰهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُوْلُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللّٰهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللّٰهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ إِيَّاكَ نَعْبُدُ وَإِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ أَنْعَمْتَ عَلَيْهِمْ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে মক্কাৰ যুদ্ধৰ কথা উল্লেখ হৈ আছিল। যাত্ৰাত ৰাওনা হোৱাৰ আগৰ বৰ্ণনাৰ উল্লেখ পোৱা যায় যে এজন চাহাবাই নিজৰ অজ্ঞানতাত আঁহজৰত (ছাঃ)ৰ এই যাত্ৰাৰ বিষয়ে মক্কাৰ লোকসকলক অৱগত কৰিবলৈ চেষ্টা কৰিছিল। কিন্তু আল্লাহ তা'লাই তেখেতক ইয়াৰ বিষয়ে অৱগত কৰিছিল, এইদৰে আঁহজৰত (ছাঃ)ৰ এই পৰিকল্পনাৰ বিষয়ে কাফিৰসকলে জানিব নোৱাৰিলে। যেতিয়া মদিনালৈ যোৱাৰ প্ৰস্তুতি আৰম্ভ হ'ল তেতিয়া এজন বেদুইন চাহাবা হাতিব বিন আবি বালতাই কুৰাইছৰ ফালৰ পৰা এটা চিঠি লিখি অৱগত কৰিবলৈ চেষ্টা কৰিলে যে ৰছুলে কৰিম (ছাঃ)য়ে তোমালোকৰ ফালে ৰাওনা হোৱাৰ প্ৰস্তুতি লৈছে। তেখেত (ৰাঃ)য়ে এই চিঠিখন এগৰাকী মহিলাক দি কলে যে এই চিঠিখন গোপনভাৱে মক্কাবাসীলৈ পৌচাই দিব। মহিলা গৰাকীয়ে চিঠিখন নিজৰ মূৰৰ ওপৰত ৰাখি সাধাৰণ পথৰ পৰা মক্কা অভিমুখে ৰাওনা হৈছিল। আল্লাহ তা'লাই এই চিঠিখনৰ বিষয়ে তেখেত (ছাঃ)ক অৱগত কৰিছিল। তেখেত (ছাঃ)য়ে হজৰত আলি (ৰাঃ)ক মাতি আন এজন চাহাবাৰ সৈতে তেওঁক পঠিয়ালে যাতে এই চিঠিখন আনিব পাৰে। সেই চাহাবাজনে সেই মহিলা গৰাকীৰ ওচৰলৈ গৈ চিঠিখন খুজিলে, প্ৰথমে মহিলা গৰাকীয়ে সেয়া দিবলৈ অস্বীকাৰ কৰিলে, কঠোৰভাৱে সোধাত চিঠিখন উলিয়াই দিলে। হজৰত আলি (ৰাঃ)য়ে সেই মহিলা গৰাকীক লৈ ৰছুলে কৰিম (ছাঃ)ৰ সন্মুখত উপস্থিত হ'ল। হজৰত হাতিব বিন

আবি বালতাই কলে যে মই বিশ্বাসঘাতক নহওঁ, মই বিচাৰো যে মক্কাবাসীৰ ওপৰত মোৰ অনুগ্ৰহ হওঁক যাৰ বিনিময়ত মোৰ সম্পত্তি আৰু সন্তান-সন্ততি সুৰক্ষিত থাকিব পাৰে। নবী কৰিম (ছাঃ)য়ে কলে যে তেওঁ সঁচা কৈছে গতিকে তুমিও তেওঁৰ বিষয়ে ভাল কথা কোৱাৰ বাহিৰে একোৱে নক'বা। ইয়াৰ পিছত তেখেত (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক সুধিলে যে এইজন বদৰৰ যুদ্ধত অংশ গ্ৰহণ কৰা নাছিল নে? এই কথা শুনি হজৰত উমৰ (ৰাঃ)ৰ চকুৰ পৰা অশ্ৰু নিৰ্গত হ'বলৈ আৰম্ভ কৰিলে; তেখেত (ৰাঃ)য়ে কলে যে আল্লাহ আৰু সেইজনাৰ ৰছুলে উত্তম জানে।

ইয়াৰ পিছত আঁহজৰত (ছাঃ)য়ে যাত্ৰা আৰম্ভ কৰিলে। তেখেত (ছাঃ) য়ে মুহাজিৰ, আনছাৰ আৰু আৰবৰ আন আন লোকসকলৰ সৈতে যাত্ৰা আৰম্ভ কৰিলে। শ্বাৰাহ বুখাৰী আল্লামা ইবনে হিজৰে ২ ৰমজানৰ বৰ্ণনাক অগ্ৰাধিকাৰ দিছে।

মদিনাৰ পৰা ৰাওনা হোৱা সময়ত এই যাত্ৰাত প্ৰায় ৭৪০০ সেনাই অংশ গ্ৰহণ কৰিছিল। পথতে সংখ্যাৰ পৰিমাণ বৃদ্ধি পাই আছিল। কিছুমান কিতাপত সেনাৰ সংখ্যা ১২০০০ বুলি বৰ্ণিত আছে; কিন্তু বেছিভাগ কিতাপত ইয়াৰ সংখ্যা ১০০০০ বুলি বৰ্ণিত আছে, এইটোৱে বেছি শুদ্ধ বুলি জনা যায়।

এই যাত্ৰাত তেখেত (ছাঃ)ৰ সৈতে তেখেত (ছাঃ)ৰ স্ত্ৰী হজৰত উম্মে ছালমা (ৰাঃ) আছিল। কিছুমান বৰ্ণনা অনুসৰি হজৰত মায়মুনা (ৰাঃ)য়ো তেখেত (ছাঃ)ৰ লগতে আছিল। কিছুমান বৰ্ণনাত উল্লেখ পোৱা যায় যে চাহাবজাদী হজৰত ফাতিমা (ৰাঃ)য়ো তেখেত (ছাঃ)ৰ লগতে আছিল। এই যাত্ৰা ৰমজান মাহত হৈছিল। যাত্ৰাৰ প্ৰাৰম্ভিক দিনবোৰত তেখেত (ছাঃ)য়ে ৰোজা ৰাখিছিল, ইয়াৰ পিছত তেখেত (ছাঃ)য়ে ৰোজা ৰখা নাছিল বৰঞ্চ আন আন চাহাবা সকলকো ৰোজা ৰখাৰ পৰা নিষেধ কৰিছিল।

এই যাত্ৰাত জন্তুবিলাকৰ সৈতে সহানুভূতিৰ এটা ঘটনাৰ উল্লেখ এনেকুৱা পোৱা যায় যে বাটতে আঁহজৰত (ছাঃ)য়ে এটা মাইকী কুকুৰ দেখা পাইছিল সেইটোৰ পোৱালীবোৰে সেই মাইকী কুকুৰৰ গাখীৰ খাই আছিল। তেখেত (ছাঃ)য়ে এজন চাহাবীক আদেশ দিলে যে তেওঁ সেই মাইকী কুকুৰটোৰ সন্মুখত থিয় দিব যাতে সেনা সকলে সেই কুকুৰটোৰ সৈতে বা সেইটোৰ পোৱালীৰ লগতে কোনো ধৰণৰ অসুবিধা নকৰে।

তেখেত (ছাঃ)য়ে গুপ্তচৰক ধৰাৰ বাবে এটা অশ্বাৰোহী আগলৈ ৰাওনা কৰিছিল। এই অশ্বাৰোহীয়ে বনু হাৱাজনৰ এজন গুপ্তচৰক গ্ৰেপ্তাৰ কৰি লৈ আহে। আঁহজৰত (ছাঃ)য়ে তেওঁক সুধাত তেওঁ কৈছিল যে হাৱাজন আপোনাৰ বিৰুদ্ধে একগোট হৈ আছে। তেখেত (ছাঃ)য়ে কয় যে আল্লাহ আমাৰ বাবে যথেষ্ট আৰু সেইজনা উত্তম সহায়ক। তেখেত (ছাঃ)য়ে হজৰত খালিদ বিন অলিদ (ৰাঃ)ক আদেশ দিলে যে সেই গুপ্তচৰক ধৰি ৰাখক যাতে তেওঁ আগলৈ গৈ লোকসকলক খবৰ দিব নোৱাৰে।

আঁহজৰত (ছাঃ)য়ে মুছলমান সকলক গোত্ৰত বিভাজন কৰি তেওঁলোকক সেনা বাহিনীৰ সৈতে পৃথক কৰে। প্ৰতিটো গোত্ৰৰ সেনাৰ ওপৰত তেওঁলোকৰ মাজৰ পৰাই এজন নেতা নিযুক্ত কৰে। আনছাৰসকলক বংশধৰৰ ভিত্তিত বাৰটা দলত বিভক্ত কৰে। ছয়টা দল অউছৰ পৰা আৰু ছয়টা দল খজৰুজ গোত্ৰৰ পৰা নিযুক্ত কৰে। মুহাজিৰ সকলৰ তিনিটা পতাকা হজৰত আলি বিন আবি তালিব (ৰাঃ), হজৰত জুবেৰ বিন আৱাম (ৰাঃ) আৰু হজৰত ছাআদ বিন আবি ওকাছ (ৰাঃ)ৰ ওচৰত আছিল।

এই যাত্ৰাৰ সময়ত আঁহজৰত (ছাঃ)ৰ খুৰাৰ ল'ৰা আৰু নিজৰ ভাই হজৰত আবু ছুফিয়ান বিন হাৰিছ্ আৰু তেওঁৰ ল'ৰা জাফৰ আৰু আব্দুল্লাহ বিন আবি উমায়া বিন মুগেৰৰ বিশ্বাস স্থাপন কৰাৰ উল্লেখ পোৱা যায়।

এওঁ ইছলামৰ কঠোৰ শত্ৰু আছিল, সেই কাৰণে তেখেত (ছাঃ)ৰ সন্মুখত আহিবলৈ ভয় পাইছিল। উম্মুল মোমিনিন হজৰত উম্মে ছালমা যিজন আব্দুল্লাহ বিন উমায়াৰ ভনী আছিল, তেওঁ তেখেত (ছাঃ)ক কলে যে আপোনাৰ খুৰাৰ ল'ৰা আবু ছুফিয়ান আৰু পেহীৰ ল'ৰা আব্দুল্লাহ তেখেত (ছাঃ)ৰ সৈতে সাক্ষাৎ কৰাৰ ইচ্ছুক ৰাখে। আঁহজৰত (ছাঃ)য়ে কলে মোক তেওঁলোকৰ প্ৰয়োজন নাই মই তেওঁলোকৰ সৈতে সাক্ষাৎ কৰিব নিবিচাৰো। মোৰ খুৰাৰ ল'ৰাই মোক অপমান কৰিছে। তেওঁ কবি আছিল, তেখেত (ছাঃ)ক অপমান কৰিছিল আৰু আব্দুল্লাই মক্কাত বহু অত্যাচাৰ কৰিছিল। এই কথা যেতিয়া আবু ছুফিয়ান বিন হাৰিছে জানিব পাৰে তেতিয়া তেওঁ উৎসাহ নিয়ন্ত্ৰণলৈ আনি কয় যদি মহম্মদ (ছাঃ)য়ে মোৰ সৈতে সাক্ষাৎ কৰিবলৈ সন্মতি নহয় আৰু সাক্ষাৎ কৰাৰ অনুমতি নিদিয়ে তেন্তে মই নিজৰ ল'ৰাক লৈ মৰুভূমিলৈ গুচি যাম ইমানে যে ভোক আৰু পিয়াহত মৰি যাম। নবী কৰিম (ছাঃ)য়ে যেতিয়া এই কথা গম পালে তেতিয়া তেখেত (ছাঃ)ৰ হৃদয় কোমল হৈ পৰে ইয়াৰ পিছত তেখেত (ছাঃ)য়ে দুয়োজনক মাতি আনি তেওঁলোকৰ সৈতে সাক্ষাৎ কৰে।

হজৰত আবু ছুফিয়ান বিন হাৰিছ (ৰাঃ)ৰ মৃত্যু পোন্ধৰ বা বিছ হিজৰীত হৈছিল। হজৰত উমৰ (ৰাঃ)য়ে তেখেত (ৰাঃ)ৰ নামাজে জানাজা পঢ়াইছিল। হজৰত আব্দুল্লাহ বিন আবি উমায়া বিন মুগেৰ (ৰাঃ)ৰ নাম আছিল হুজাইফা আৰু তেখেত (ছাঃ)ৰ পেহী আতিকাৰ ল'ৰা আছিল। তেখেত (ৰাঃ) উম্মুল মোমিনিন হজৰত উম্মে ছালমা (ৰাঃ)ৰ ভাই আছিল। তেখেত (ৰাঃ)য়ে ইছলাম গ্ৰহণ কৰাৰ পিছত বৰ বীৰত্বৰ সৈতে হুনাইনৰ যুদ্ধত অংশ গ্ৰহণ কৰিছিল। তায়েফৰ যুদ্ধত এটা কাঁড়ৰ আঘাতত শ্বহীদ বৰণ কৰে।

এই অভিযানত হজৰত আববাছৰ সেনা ইছলাম গ্ৰহণ কৰা সন্দৰ্ভত লিখিছে যে যেতিয়া আঁহজৰত (ছাঃ)য়ে মদিনাৰ পৰা মক্কাৰ ফালে যাত্ৰা আৰম্ভ কৰে তেতিয়া হজৰত আববাছ (ৰাঃ)য়েও মদিনাৰ ফালে প্ৰব্ৰজনৰ বাবে যাত্ৰা আৰম্ভ কৰে। হজৰত আববাছ (ৰাঃ)য়ে জুহফাত আঁহজৰত (ছাঃ)ৰ সৈতে সাক্ষাৎ কৰে, তেখেত (ৰাঃ)য়ে নিজৰ বস্তু বাহানি মদিনালৈ পঠিয়াই দিয়ে আৰু নিজেই আঁহজৰত (ছাঃ)ৰ সৈতে মক্কাৰ ফালে ওলাই পৰে। তেখেত (ৰাঃ) আঁহজৰত (ছাঃ)ৰ খুৰা আছিল। বয়সত তেখেত (ছাঃ)তকৈ দুই বা তিনি বছৰ ডাঙৰ আছিল। তেখেত ফজল বিন আববাছৰ কাৰণে আবুল ফজল নামৰ উপাধিৰে বিখ্যাত আছিল। হজৰত আবু তালিবৰ পিছত ছাকায়া অৰ্থাৎ হজ্ব কৰা সকলক পানী পান কৰোৱা তেখেত (ৰাঃ)ৰ দায়িত্ব আছিল। তেখেত (ৰাঃ)য়ে হুনাইনৰ যুদ্ধত তেখেত (ছাঃ)ৰ সৈতে দৃঢ় হৈ আছিল। ৩২ বা ৩৩ হিজৰীত তেখেত (ৰাঃ)ৰ মৃত্যু হয়।

তেখেত (ছাঃ)ৰ উত্তম সেনা বাহিনীৰ প্ৰস্তুতি আৰু দোৱাৰ কাৰণে ইমান ডাঙৰ অলৌকিকতা প্ৰকাশ পাইছিল যে মদিনাৰ পৰা যোৱা দহ হাজাৰ সেনা বাহিনীয়ে প্ৰায় চাৰি শ কিলোমিটাৰ যাত্ৰা অতিক্ৰম কৰি মক্কাৰ পৰা পাঁচ মাইল দূৰত্বত শিবিৰ পাতিছিল, কিন্তু মক্কাবাসীসকলে এই কথা গম

পোৱা নাছিল।

আঁহজৰত (ছাঃ)য়ে ঈশাৰ সময়ত মক্কাৰ পৰা পাঁচ মাইল দূৰত্বত মিৰাজ জাইৰাইন নামৰ ঠাইত শিবিৰ পাতি চাহাবা সকলক আদেশ দিছিল সেই কাৰণে তেওঁলোকে দহ হাজাৰ জুইৰ পোহৰেৰে আলোকিত কৰিছিল। আঁহজৰত (ছাঃ)য়ে হজৰত উমৰ (ৰাঃ)ক সেনাসকলৰ নিৰীক্ষণকৰ্তা হিচাপে নিযুক্তি দিছিল।

হজৰত মুচলেহ মাওউদ (ৰাঃ)য়ে কৈছে যে আহজাবৰ ইতিহাসৰ বাহিৰে ইমান বিশাল সংখ্যাত সেনা বাহিনী আৰবৰ ইতিহাসত প্ৰস্তুত হোৱা নাছিল। আহজাবত দহ হাজাৰ সেনা আছিল। আৰবৰ ইতিহাসত ইমান ডাঙৰ সেনাৰ এইটো দ্বিতীয় দৃষ্টান্ত আছিল। কিন্তু মদিনাৰ পৰা ইমান বিশাল আকাৰে সেনা ওলাই পৰিছিল কোনেও এই বিষয়ে জনা নাছিল ইয়াৰ পিছত আল্লাহ তা'লাই অলৌকিকতা হিচাপে দেখুৱায় যে মই সেই উদ্দেশ্য পূৰ্ণ কৰিম যিটো মোৰ আৰু সেই উদ্দেশ্য ভাঙি পেলাম যিটো তেওঁলোকৰ। ৰছুলে কৰিম (ছাঃ)য়ে যেতিয়া যাত্ৰাৰ বাবে ওলায় তেতিয়া তেখেতে কয় যে হে মোৰ খোদা! মই তোমাৰ ওচৰত প্ৰাৰ্থনা কৰো যে তুমি মক্কাবাসীৰ কৰ্ণক বন্ধ কৰি দিয়া  আৰু তেওঁলোকৰ গুপ্তচৰক অন্ধ কৰি দিয়া যাতে তেওঁলোকে আমাক দেখা নাপায় আৰু তেওঁলোকৰ কৰ্ণই আমাৰ কোনো শব্দ শুনা নাপায়।

মদিনাত সহস্ৰ কপটাচাৰী আছিল, কিন্তু দহ হাজাৰ সেনা মদিনাৰ পৰা ওলায় আৰু মক্কাবাসীয়ে সেয়া গমে নাপায়। মক্কাবাসী সকলে এই চিন্তাত আছিল যে তেখেত (ছাঃ)ৰ ওপৰত যেন আক্ৰমণ কৰিব পাৰে, তেওঁলোকে ধাৰণাই কৰা নাছিল যে তেখেত (ছাঃ)য়ে ইমান বৃহৎ আকাৰে সেনা লৈ তেওঁলোকৰ ওচৰলৈ আহিব। মক্কাবাসীসকলে ভয়তে ৰাতি ইফালে সিফালে ঘূৰি ফুৰি আছিল। এটা ৰাতি আবু ছুফিয়ানে তেওঁৰ দুজন লগৰীয়া হাকিম বিন হিজাম আৰু এজন চৰ্দাৰৰ সৈতে ঘূৰি ফুৰি আছিল, ইমানতে ইমান বৃহৎ আকাৰে সেনা তেওঁলোকৰ ওচৰলৈ অহা দেখা পাই আবু ছুফিয়ান আৰু তেওঁৰ লগৰীয়াক ভীতিগ্ৰস্ত কৰি দিছিল। তেওঁলোকে কথা-বতৰা পাতি আছিল ইমানতেই আঁহজৰত (ছাঃ)ৰ গুপ্তচৰে তেওঁলোকক ধৰি লৈ আঁহজৰত (ছাঃ)ৰ সন্মুখত উপস্থিত কৰে।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কৈছে যে ইয়াৰ বিস্তাৰিত বিৱৰণ বহু দীৰ্ঘ; পৰৱৰ্তীত ইনশা আল্লাহ বৰ্ণনা কৰিম।

খোতবাৰ শেষত হুজুৰ আনোৱাৰ (আইঃ)য়ে দোৱাৰ প্ৰতি মনোযোগ আকৰ্ষণ কৰি কয় যে যিদৰে মই সদায় কৈ থাকো যে দোৱাৰ ফালে মনোযোগ দিব; আল্লাহ তা'লা জগতবাসীক বিবাদ বিশৃংখলাৰ পৰা ৰক্ষা কৰক, পৰিস্থিতি যিদৰে তল-ওপৰ হৈ আছে আল্লাহ তা'লা সেয়া নিয়ন্ত্ৰণলৈ লৈ আনক, অধিক ধ্বংসৰ ফালে যেন নাযায়।

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَن يَّهْدِهِ اللهُ فَلاَ مُضِلَّ لَهُ وَمَنْ يُّضْلِلْهُ فَلاَ هَادِىَ لَهُ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلاَّ اللهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَاللهِ رحمكم الله اِنَّ اللهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللهِ اَكْبَرُ.

# BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

......................................................................................................................................

......................................................................................................................................

NASHOR-O-ISHAAT QADIAN